# সাম্প্ৰতিক অসমীয়া কথিত ভাষা ঃ এক অধ্যয়ন

**ড° স্বপ্নালী বড়া**

**সংক্ষিপ্তসাৰ ঃ** প্ৰাচীন কামৰূপৰ বুকুত যি ঐতিহাসিক প্ৰেক্ষাপটত বৰ্তমানৰ অসমীয়া ভাষা গঢ় লৈ উঠিছিল, সি কোনো এক বিশেষ নৃ-গোষ্ঠী, বৰ্ণ, জাতি, ধৰ্মৰ লোকক সামৰি লোৱা নাছিল। আৰ্য আৰু আৰ্যভিন্ন উপাদানেৰে সমৃদ্ধ অসমীয়া ভাষাটোৱে সংহতিৰ এক অনন্য স্বাক্ষৰ বহন কৰি আহিছে। অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ সংমিশ্ৰণথলী। ইয়াত বসবাস কৰা প্ৰতিটো জাতি-জনজাতিৰ ভাষা, সাহিত্য, সংস্কৃতিৰ ক্ষেত্ৰত সুকীয়া সুকীয়া বিশেষত্ব আছে। কিন্তু এই ভিন্নতা থকা সত্ত্বেও অসমীয়া জাতিটো গঢ় লৈ উঠাৰ মূলতেই হৈছে সংহতি।

ভাষা এটা কেৱল ভাৱ প্ৰকাশৰ মাধ্যমেই নহয় ই জাতিৰ এক পৰিচয়। অসমীয়া ভাষাৰ লগতো অসমীয়া জাতিৰ বহু অলিখিত ইতিহাস জড়িত হৈ আছে। সেইদৰে পৰিৱৰ্তনশীলতা ভাষাৰ এক স্বাভাৱিক ধৰ্ম। খ্ৰীষ্টীয় দশম-একাদশ শতিকামানৰে পৰা স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰা অসমীয়া ভাষাটোৱেও সময়ৰ লগে লগে পৰিৱৰ্তনৰ মাজেদি সৰকি আহি বৰ্তমান অৱস্থা লাভ কৰিছে। সাম্প্ৰতিক অসমীয়া ভাষাটো নৱ প্ৰজন্মৰ মাজত কেনেদৰে ব্যৱহাৰ বা ভাষাটোত কেনে ধৰণৰ পৰিৱৰ্তন আহিছে সেই সম্পৰ্কে মূল পত্ৰখনত আলোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

**অৱতৰণিকা ঃ** 'অসম' নামৰ ভূ-খণ্ডত প্ৰচলিত প্ৰধান ভাষাটোৱেই হৈছে অসমীয়া ভাষা। প্ৰাচীন কামৰূপৰ বুকুত যি ঐতিহাসিক প্ৰেক্ষাপটত বৰ্তমানৰ অসমীয়া ভাষাটো গঢ় লৈ উঠিছিল, সি কোনো এক বিশেষ নৃ-তাত্বিক গোষ্ঠী, বৰ্ণ, জাতি, ধৰ্মৰ লোকক সামৰি লোৱা নাছিল। আৰ্যভাষা আৰু জনজাতীয় ভাষাৰ

*লেখিকা সহকাৰী অধ্যাপিকা, অসমীয়া বিভাগ, দিখৌমুখ মহাবিদ্যালয়, শিৱসাগৰ*
*মেইল ঃ swapnali68091@gmail.com*

উপাদানেৰে সমৃদ্ধ অসমীয়া ভাষাটোৱে সংহতিৰ এক অনন্য স্বাক্ষৰ বহন কৰি আহিছে। তদুপৰি অসমৰ বহুভাষিক পৰিস্থিতিত অসমীয়া ভাষাই সংযোগী ভাষাৰ (Lingua Franca) ভূমিকাও পালন কৰি আহিছে।

খ্ৰীষ্টাব্দ দশম-একাদশ শতিকামানৰে পৰা স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰা অসমীয়া ভাষাত ৰচিত বিশুদ্ধ সাহিত্যিক নিদৰ্শন পোৱা যায় চতুৰ্দশ শতিকাৰ পৰাহে। প্ৰাক্ শংকৰী যুগৰ কবি হেম সৰস্বতীৰ 'প্ৰহ্লাদ চৰিত্ৰ' গ্ৰন্থখনৰ জৰিয়তে বিশুদ্ধ অসমীয়া সাহিত্যৰ ইতিহাস আৰম্ভ হয়। এক দীৰ্ঘ পৰিক্ৰমাৰ মাজেদি সৰকি আহি অসমীয়া ভাষাটোৱে বৰ্তমান অৱস্থা লাভ কৰিছে। ব্ৰিটিছ শাসন কালত নিজ জন্মভূমিতেই এলাগী হৈ পৰা ভাষাটো বৰ্তমানো সংকটমুক্ত হোৱা নাই। যুদ্ধোত্তৰ যুগৰ পৰা অসমীয়া ভাষাটোত পৰিৱৰ্তন আৰম্ভ হ'বলৈ ধৰে। বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত উন্নয়নে অসমীয়া সমাজ জীৱনলৈ ব্যাপক পৰিৱৰ্তন আনে। এই পৰিৱৰ্তনৰ প্ৰভাৱ অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিতো পৰে। সমাজ তথা সংস্কৃতিৰ লগত ভাষাৰ ওতপ্ৰোত সম্বন্ধ। সেয়ে সমাজ সংস্কৃতিৰ পৰিৱৰ্তনে ভাষাটোত প্ৰত্যক্ষ প্ৰভাৱ পেলায়।

**অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য ঃ**

ভাষা এটা কেৱল ভাৱ প্ৰকাশৰ মাধ্যমেই নহয়। ই এটা জাতিৰ এক পৰিচয়। অসমীয়া ভাষাৰ লগতো জড়িত হৈ আছে অসমীয়া জাতিৰ বহু অলিখিত ইতিহাস। সেইদৰে পৰিৱৰ্তনশীলতাও ভাষাৰ এক স্বাভাৱিক ধৰ্ম। অসমীয়া ভাষাটোৱেও পৰিৱৰ্তনৰ বিভিন্ন ঢাপত ন ন বৈশিষ্ট্যৰে পৰিপুষ্টি লাভ কৰিছে। পাশ্চাত্যৰ সাহিত্যৰ ৰীতি তথা আংগিকৰ প্ৰভাৱেৰে অসমীয়া সাহিত্যইও লাভ কৰিছে এক উচ্চ আসন। তাৎপৰ্যপূৰ্ণ যে অসমীয়া ভাষাৰ বহু সাহিত্য কৰ্ম অন্যান্য ভাষালৈ অনুদিত হৈছে। তৎসত্বেও অসমীয়া ভাষাটোত কেতবোৰ পৰিৱৰ্তনে ভাষাটোক সংকটৰ গৰাহলৈ ঠেলি দিছে। "সাম্প্ৰতিক অসমীয়া কথিত ভাষা" শীৰ্ষক বিষয়টো আলোচনা কৰোঁতে সাম্প্ৰতিক সময়ত ভাষাটোলৈ আহি পৰা ধ্বনিগত, ৰূপগত, শব্দগত আৰু বাক্যগত পৰিৱৰ্তন কেতবোৰ পোহৰলৈ আনিবলৈ প্ৰয়াস কৰা হৈছে।

**অধ্যয়ন পদ্ধতি ঃ** "সাম্প্ৰতিক অসমীয়া কথিত ভাষা ঃ এক বিশ্লেষণ" — শীৰ্ষক বিষয়টো আলোচনা কৰোঁতে ঘাইকৈ বিশ্লেষণাত্মক পদ্ধতি অৱলম্বন কৰা হৈছে।

**অধ্যয়নৰ পৰিসৰ ঃ** অধ্যয়নৰ সীমাবদ্ধতাৰ প্ৰতি লক্ষ্য ৰখা হৈছে যদিও ভাষাৰ চাৰিওটা উপাদানত অৰ্থাৎ ধ্বনি, ৰূপ, শব্দ আৰু বাক্যত হোৱা পৰিৱৰ্তন সমূহৰ সম্পৰ্কে বিশ্লেষণ আগবঢ়াবলৈ প্ৰয়াস কৰা হৈছে।

**বিষয় বিশ্লেষণ ঃ** ভাষা আহৰণ এক সাংস্কৃতিক কাৰ্য। পৰম্পৰাগতভাৱে অনুকৰণ, অভ্যাসৰ জৰিয়তে সাংস্কৃতিক উপাদানৰূপে মানুহে ভাষা আয়ত্ব কৰে। এইদৰে আয়ত্ব কৰা ভাষাটোক এটা সময়ত ব্যাকৰণৰ নিয়ম-শৃংখলাৰ মাজত আৱদ্ধ কৰা হয়। কিন্তু সম্প্ৰতি কথিত অসমীয়া ভাষাই কিছু কিছু দিশত ব্যাকৰণৰ নীতি-নিয়মৰ পৰা আঁতৰি অহা পৰিলক্ষিত হৈছে। যি প্ৰকৃততে অসমীয়া ভাষাৰ সৌন্দৰ্য বিনষ্ট কৰিছে। তেনে কেতবোৰ দিশ হ'ল এনে ধৰণৰ —

**ধ্বনিতাত্বিক বৈশিষ্ট্য ঃ**

১। অসমীয়া ভাষাৰ শ, ষ, স ৰ উচ্চাৰণত পশ্চতালব্য (X) ৰ পৰিৱৰ্তে দন্তমূলীয় অঘোষ ঘৃষ্ট ছ/S/

ৰ উচ্চাৰণ সম্প্ৰতি নৱ প্ৰজন্মৰ মাজত দেখা যায়। যেনে ঃ

সাউদ (Xaud) > saud

সাবিত্ৰী (Xabitri) > sabitri

দাস (Dax) > das

২। অসমীয়া ভাষাত ওচৰা-ওচৰিকৈ দুটা আ ধ্বনি উচ্চাৰিত নহয়। পৰৱৰ্তী ধ্বনিৰ প্ৰভাৱত পূৰ্বৱৰ্তী আ > এ, ই লৈ পৰিৱৰ্তন হয়। সম্প্ৰতি অসমীয়া ভাষাত টাকা, পাঠা, আহা-যোৱা এনে ৰূপৰ প্ৰয়োগো দেখা গৈছে।

৩। অনুনাসিক্য ধ্বনি চন্দ্ৰবিন্দুৰ প্ৰয়োগ অসমীয়া ভাষাৰ সুকীয়া বৈশিষ্ট্য। বৰ্তমান নৱপ্ৰজন্মৰ কথিত ভাষাত এই নাসিক্য ধ্বনিৰ উচ্চাৰণ দেখা পোৱা নাযায়। উদাহৰণস্বৰূপে ঃ

পাঁচ > পাচ

দাঁত > দাত ইত্যাদি।

৪। যুক্তাক্ষৰ নথকা শব্দটো যুক্তাক্ষৰৰ অপ্ৰয়োজনীয় প্ৰয়োগ সাম্প্ৰতিক অসমীয়া ভাষাত দেখা গৈছে। যেনে ঃ ইস্মান (ইমান), থাপ্পৰ (থাপৰ, বহহুত (বহুত)।

**ৰূপতাত্ত্বিক বৈশিষ্ট্য ঃ**

১। অসমীয়া ভাষাৰ পৰম্পৰাগত ব্যাকৰণসমূহত সংস্কৃতৰ আদৰ্শত সম্প্ৰদান কাৰকৰ কথা উল্লেখ থাকিলেও, অসমীয়া ভাষাত সম্প্ৰদান কাৰক নাই। তাৰ সলনি নিমিত্ত কাৰকহে হয়। যাক কোনো বস্তু দিয়া হয় তাক সম্প্ৰদান কাৰক বোলা হয়। য'ত চতুৰ্থী বিভক্তি হয়। অসমীয়া ভাষাত কাৰোবাক কোনো বস্তু দিয়া অৰ্থত কৰ্ম কাৰকহে হয়। কৰ্ম কাৰকত দ্বিতীয়া বিভক্তিৰ চিন '-ক' ব্যৱহাৰ হয়। যেনে ঃ ভিক্ষাৰীক চাউল দিছে। নিমিত্ত কাৰকত চতুৰ্থ বিভক্তি (-লৈ) হয়। অসমীয়া ভাষাত প্ৰতি, নিমিত্ত অভিমুখ অৰ্থত চতুৰ্থী বিভক্তি হয়। উদাহৰণস্বৰূপে —

১। গুৰুজনলৈ শ্ৰদ্ধা ভাৱ ৰাখিবা। (প্ৰতি)

২। এইটো তোমালৈ আনিছো। (নিমিত্ত)

৩। তেওঁ দিল্লীলৈ যাব। (অভিমুখ)

তাৎপৰ্যপূৰ্ণ যে বৰ্তমান নৱ প্ৰজন্মৰ অনেকেই 'অভিমুখ' অৰ্থত 'লৈ' বিভক্তি ব্যৱহাৰ নকৰাকৈ ভাষাটো ব্যৱহাৰ কৰে। যেনে ঃ মই গুৱাহাটীত যাম। মই কলেজ যাওঁ। ইত্যাদি।

২। অসমীয়া ভাষাত সম্বন্ধবাচক বিশেষ্যৰ পাছত পুৰুষবাচক বিভক্তি যোগ হয়। ই অসমীয়া ভাষাৰ এক স্বকীয় বৈশিষ্ট্য। এই বৈশিষ্ট্যটো বাণীকান্ত কাকতিয়ে অষ্ট্ৰিক ভাষাৰ প্ৰভাৱত, গ্ৰীয়াৰ্চন চাহাবে তিব্বতবৰ্মী ভাষাৰ প্ৰভাৱত গঢ় লোৱা বুলি মন্তব্য কৰিছে।

অসমীয়া ভাষাত 'দেউতা' সম্বন্ধবাচক শব্দটো দ্বিতীয় পুৰুষত ৰূপ হয় এনেধৰণৰ —

দ্বিতীয় পুৰুষ ঃ তোৰ দেউতাৰ (-ৰ) তোমাৰ দেউতাৰা (-ৰ -আ)

কিন্তু বৰ্তমান কথিত অসমীয়া ভাষাত দ্বিতীয় পুৰুষ সৰ্বনামৰ প্ৰয়োগত ব্যতিক্ৰম ঘটিছে।

উদাহৰণস্বৰূপে ঃ

তোৰ/তোমাৰ দেউতা ঘৰত আছেনে? য'ত পুৰুষবাচক বিভক্তিৰ প্ৰয়োগ হোৱা নাই। অৱশ্যে অৰ্থৰ ফালৰ পৰা বিসংগতি পৰিলক্ষিত হোৱা নাই। কিন্তু ব্যাকৰণগত ৰীতি ৰক্ষা কৰা হোৱা নাই।

৩। অসমীয়া ভাষাত সংযুক্ত ধাতুৰ প্ৰয়োগ ব্যাপক। তেনে ধাতুবোৰৰ এটা বিশেষ ধাতু হ'ল 'খাই উঠ' (খা + ই + উঠ > খাই উঠ)। যেনে ঃ মই ভাত খাই উঠি — কামটো কৰিম।

কিন্তু বৰ্তমান কথিত ৰূপত 'খাই উঠ' এই ধাতুটোৰ প্ৰয়োগৰ বিপৰীতে বহু সময়ত 'খাইকিনি', 'খাইপেলাই' এনে ধৰণৰ নব্য ৰূপৰ প্ৰয়োগ দেখা গৈছে।

৪। অসমীয়া ভাষাত সংখ্যাবাচক শব্দৰ পাছত -টা নিৰ্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ কৰি সংখ্যাবাচক নিৰ্দিষ্টতা বুজোৱা হয়। যেনে ঃ এটা কলম, দুটা মানুহ ইত্যাদি। বৰ্তমান এক বাজিল আদিৰ পৰিৱৰ্তে এটা বাজিল দুটা বাজিল বুলি সময়ৰ নিৰ্দেশ বুজোৱা হয়।

৫। অসমীয়া ভাষাত ব্যৱহৃত ক্ৰিয়াবাচক পৰসৰ্গৰ চাগৈ, হবলা, হেঁতেন আদিৰ প্ৰয়োগো প্ৰায় নোহোৱা হৈ পৰিছে। তাৰ বিপৰীতে -হা, -না এই দুটা ৰূপৰ ব্যাপক ব্যৱহাৰ কথ্যৰূপত দেখা গৈছে। উদাহৰণস্বৰূপে —

তুমি আহিবা <u>হা</u>।

তুমি এবাৰ যাবা<u>না</u>।

৬। সম্প্ৰতি অসমীয়া ভাষাত নতুন ক্ৰিয়া বিশেষণৰো প্ৰয়োগ দেখা গৈছে। অসমীয়া ভাষাত কৈ, ৰূপে, ভাৱে আদি প্ৰত্যয়ান্ত ৰূপৰ পৰিৱৰ্তে হিন্দী সে (ছে) ৰূপ বহুল ব্যৱহাৰ দেখা যায়। যেনে ঃ

সবাতোকৈ > সবছে

জোৰকৈ>জোৰছে ইত্যাদি।

৭। দেশী-বিদেশী শব্দৰ লগত অসমীয়া বা সংস্কৃতমূলীয় প্ৰত্যয় যোগ কৰি নতুন নতুন শব্দ সাধন কৰাৰ এক প্ৰৱণতাও সম্প্ৰতি নৱ প্ৰজন্মৰ মাজত দেখা গৈছে। যেনেঃ

প্ৰাউদী (ইং Proud + ঈ)

কলেজীয়া (ইং College + ঈয়া)

মতলবী (হিঃমতলব + ঈ)

**শব্দতাত্ত্বিক বৈশিষ্ট্য ঃ**

অসমীয়া ভাষা আৰ্য, আৰ্যভিন্ন, বিদেশী শব্দৰ সমাহাৰেৰে অসমীয়া ভাষাৰ শব্দসম্ভাৰ গঢ় লৈ উঠিছে। বহু সময়ত বিদেশী শব্দ একোটা সম্পূৰ্ণৰূপে অসমীয়া ভাষাত জীণ গৈছে বুলিও ক'ব পাৰি। ভাষা একোটাত ভিন্ন ভাষাৰ শব্দসম্ভাৰে ভাষাটোৰ কালিকা নষ্ট কৰাৰ বিপৰীতে ভাষাটো চহকী কৰিহে তোলে। বৰ্তমান অসমীয়া ভাষাত এনে কেতবোৰ শব্দ ব্যৱহাৰ হৈছে যাৰ মূল নিৰ্ণয় কৰা অসম্ভৱ। তেনে কেতবোৰ

শব্দ হ’ল — বিন্দাছ, লাফ্রা, ঝাকাচ, চিপকি ইত্যাদি।

তদুপৰি কিছুমান বিশেষণ অতি সম্প্ৰতি বাংলা, হিন্দী, ইংৰাজী আদি ভাষাৰ পৰা ধাৰ লৈ সুকীয়া ৰূপত প্ৰয়োগ কৰা হয়। যেনে ঃ

ফাটা-ফাটি ৰিজাল্ট, হাই-ফাই-ফেমিলী, টিপটপ ড্ৰেছ ইত্যাদি।

সাম্প্ৰতিক কালত বিভিন্ন ভাষাৰ শব্দ অকলে বা অসমীয়া ৰূপৰ লগত ভিন ভিন অৰ্থত ব্যৱহাৰ হোৱাও দেখা গৈছে। উদাহৰণস্বৰূপে ঃ

ইং ‘Fire’ শব্দৰ অৰ্থ জুই/গুলীবৰ্ষন সূচায়। বৰ্তমান প্ৰজন্মই এই শব্দটো সততে ব্যৱহাৰ কৰা দেখা যায় এনেদৰে —

মোৰ ওপৰত ফায়াৰ হৈ আছে। সেইদৰে ‘Head Office’ (মুখ্য কাৰ্যালয়) তোৰ হেড অফিচ গ’ল নেকি?

**বাক্যতাত্ত্বিক বৈশিষ্ট্য ঃ**

অসমীয়া ভাষাৰ বাক্য গঠনৰ এক সুকীয়া ৰীতি আছে। অৰ্থাৎ কৰ্তা + কৰ্ম + ক্ৰিয়া। কিন্তু বৰ্তমান এই ৰীতি বহু সময়ত পৰিহাৰ কৰাও দেখা যায়। বিভিন্ন ভাষাৰে শব্দৰ প্ৰয়োগ কৰি একোটা খিচিৰি বাক্য গঠন কৰাটো সততে পৰিলক্ষিত হয়। বৰ্তমান প্ৰজন্মৰ কথ্য ৰূপত দেখা আন কেতবোৰ দিশ হ’ল এনে ধৰণৰ ঃ

১। ইংৰাজী, হিন্দী, বাংলা শব্দৰ সৈতে অসমীয়া ধাতু যোগ কৰি জতুৱা ঠাঁচ, খণ্ডবাক্যৰ দৰে প্ৰয়োগ কৰা দেখা যায়। মাৰ, খা, কৰ আদি ধাতুযোগে এনেবোৰ সংযুক্ত ক্ৰিয়া গঠন কৰা হয়। যেনে ঃ

চেনী <u>খা</u>

হাচিল <u>কৰ</u>

লাইন <u>মাৰ</u>

২। ‘কি’ সৰ্বনামেৰেও বাক্য গঠন কৰা হয়। কিন্তু প্ৰশ্নবোধক বাক্য নহয়।

কি চাবা তাৰ বডি।

কি ফাল্টু কাম।।

৩। ক্ৰিয়া পদেৰেও বাক্য আৰম্ভণি অথবা কৰ্মপদেৰে বাক্য সমাপ্ত কৰা হয়।

পাবি ৰহ মজাটো।

আছে নহয় তোৰ পাৰ্টনাৰ।

৪। অৱশেষত, মূৰত অৰ্থত মূৰত পৰসৰ্গৰ প্ৰয়োগ বৰ্তমান কথ্য ৰূপত দেখা গৈছে।

ইমান চেষ্টাৰ মূৰত কামটো হ’ল।

এসপ্তাহৰ মূৰত সি ওলালহি।

**সিদ্ধান্ত ঃ** ‘সাম্প্ৰতিক অসমীয়া কথিত ভাষা ঃ এক অধ্যয়ন’ শীৰ্ষক আলোচনা পত্ৰখনি আলোচনা-বিলোচনাৰ অন্তত তলত উল্লেখ কৰা সিদ্ধান্ত কেইটাত উপনীত হ’ব পাৰি —

১। অসমীয়া ভাষাত যি দ্ৰুত পৰিৱৰ্তন হৈছে তাৰ ফলত অসমীয়া ভাষাটোৱে অনাগত সময়ত কি

ৰূপ পৰিগ্ৰহ কৰিব তাক সময়েহে স্পষ্ট কৰিব।

২। বিভিন্ন ভাষাৰ প্ৰভাৱ বিশেষকৈ ইংৰাজী, হিন্দী শব্দৰ ব্যাপক প্ৰয়োগৰ লগতে সেই ভাষাসমূহৰ শব্দৰ আধাৰত নতুন নতুন শব্দ সৃষ্টিৰ প্ৰৱণতা পৰিলক্ষিত হৈছে।

৩। নৱ প্ৰজন্মৰ মাজত অসমীয়া ভাষাটোৰ প্ৰতি থকা নীচাত্মিকা মনোভাৱৰ বাবে ভাষাটোৰ স্বকীয়তা হেৰাই যাবলৈ ধৰা উপক্ৰম হৈছে।

**উপসংহাৰ ঃ** ভাষা এটা কেৱল ভাৱ প্ৰকাশৰ মাধ্যমেই নহয়, ই এটা জাতিৰ এক পৰিচয়। অসমীয়া ভাষাৰ লগতো জড়িত হৈ আছে, অসমীয়া জাতিৰ বহু অলিখিত ইতিহাস। 'কামৰূপৰ ভাষা মধ্য ভাৰতৰ ভাষাতকৈ অলপ বেলেগ' বুলি হিউৱেনচাঙে উল্লেখ কৰা কামৰূপৰ ভাষা বা অসমীয়া ভাষাটোৱে বহু দীৰ্ঘ পৰিক্ৰমাৰ মাজেদি আহি বৰ্তমান অৱস্থা লাভ কৰিছে। সংহতিৰ বাহক অসমীয়া ভাষাটো কেতিয়াও কাৰো ওপৰত জাপি দিয়াৰ ইতিহাস নাই। সকলোৰে প্ৰয়োজনত অসমীয়া ভাষাটো গ্ৰহণ কৰিছিল মাতৃভাষা অসমীয়া নোহোৱা লোকসকলেও অসমীয়া ভাষাত সাহিত্য সৃষ্টি কৰি সাহিত্যিক প্ৰতিভাৰ পৰিচয় দিছে। অসমীয়া সাহিত্যৰ এগৰাকী আগশাৰীৰ লেখক লুম্বেৰ দায়ে অসমীয়া ভাষাত লেখাৰ সম্পৰ্কে নিজৰ অনুভৱ ব্যক্ত কৰিছে এইদৰে — *"I think to express one's mind the best option is the mother tongue. Though Assamese is not my mother tongue, I had relation with the language since the days I was feeding on my mother's milk on her lap. So, I like to write only in Assamese." (Saikia, Ajit : 2009, P.38)*

মাধৱ কন্দলি, শংকৰদেৱ, মাধৱদেৱ, বেজবৰুৱাকে প্ৰমুখ্যে কৰি বহু অসমীয়াই অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি ভাষাটোক এক মৰ্যাদা প্ৰদান কৰি থৈ গৈছে। অসমীয়া ভাষাৰ প্ৰতি জন্মা নীচাত্মিকা মনোভাৱ পৰিহাৰ কৰি সঠিক ৰূপত ভাষাটো ব্যৱহাৰ কৰিলেহে অসমত অসমীয়া ভাষা বৰ্তি থাকিব। অন্যথা 'অসমত অসমীয়া ভাষা গতিশীল নৈৰ দৰে বৈ থাকিব অহৰহ' নাথান ব্ৰাউনৰ এই সপোন সপোন হৈ ৰ'ব। ❐

**গ্ৰন্থপঞ্জী ঃ**

১। গোস্বামী, উপেন্দ্ৰনাথ। অসমীয়া ভাষাৰ ৰূপ কথা। মণি-মাণিক প্ৰকাশ। গুৱাহাটী, ১৯৯১, মুদ্ৰিত।
২। গোস্বামী, গোলোকচন্দ্ৰ। অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ। বীণা লাইব্ৰেৰী। গুৱাহাটী, ১৯৯০, মুদ্ৰিত।
৩। গোহাঁই, হীৰেন। সাহিত্য আৰু চেতনা। গুৱাহাটী বুকষ্টল। ১৯৭৬, মুদ্ৰিত।
৪। ঠাকুৰ, নগেন। ভাষা আৰু ভাষা চিন্তা। কে. এম. পাবলিছিং। গুৱাহাটী, ২০০৩, মুদ্ৰিত।
৫। বৰা, দিলীপ। সমাজ, সাহিত্য আৰু সংহতি। ভৱানী অফছেট এণ্ড ইমেইজিং ছিষ্টেমছ প্ৰাঃ লিঃ। গুৱাহাটী, ২০০৯, মুদ্ৰিত।
৬। ভূঞা, যোগেন্দ্ৰনাৰায়ণ। ঊনবিংশ শতিকাৰ অসম সংবাদ। অসমীয়া বিভাগ। ডিব্ৰুগড়, ১৯৯০, মুদ্ৰিত।
৭। মেধী, কালিৰাম। অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব। লয়াৰ্ছ বুক ষ্টল। গুৱাহাটী, ১৯৯৯, মুদ্ৰিত।
৮। ৰাভা হাকাচাম, উপেন। অসমীয়া আৰু অসমৰ ভাষা উপভাষা। জ্যোতি প্ৰকাশন। গুৱাহাটী, ২০১৭, মুদ্ৰিত।
৯। Saikia, Ajit : Dai's Echo of Arunachal, Sarada Prakashan, Ghy, 2009. printed.

**xxx**